পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 675 দিশপুৰ, শনিবাৰ, 4 অক্টোবৰ, 2025, 12 আহিন, 1947 (শক)

No. 675 Dispur, Saturday, 4th October, 2025, 12th Asvina, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 4th October, 2025

**No. LGL.66/2021/20.–** The following Ordinance of the Assam Legislative Assembly which was promulgated by the Governor of Assam on 3rd October, 2025 is hereby published for general information.

**ASSAM ORDINANCE NO. V OF 2025**

**ASSAM GOODS AND SERVICE TAX (SECOND AMENDMENT) ORDINANCE, 2025**

# AN

# ORDINANCE

further to amend the Assam Goods and Services Tax Act, 2017 in its application to the State of Assam.

**Preamble**

Whereas the Legislative Assembly of the State of Assam is not in session and the Governor of Assam is satisfied that circumstances exist which render it necessary for him to take immediate action for amending the Assam Goods and Services Tax Act, 2017 hereinafter referred to as the principal Act, in the manner hereinafter appearing;

**Assam Act No. XXVIII of 2017**

Now, therefore, in exercise of powers conferred under clause (1) of Article 213 of the Constitution of India, the Governor of Assam is pleased to promulgate in the Seventy-sixth Year of the Republic of India, the following Ordinance, namely:-

**Short title, extent and commencement**

**1.** (1) This Ordinance may be called the Assam Goods and Services Tax (Second Amendment) Ordinance, 2025.

(2) It extends to the whole of Assam.

(3) Save as otherwise provided, the provisions of this Ordinance shall come into force on such date as the Government may, by notification in the Official Gazette, appoint:

Provided that different dates may be appointed for different provisions of this Ordinance and any reference in any such provision to the commencement of this Ordinance shall be construed as a reference to the coming into force of that provision.

**Amendment of section 2**

**2.** In the principal Act, in section 2,

(i) in clause (61), in fifth line, in between the words "section 9", and "for or on behalf", the words, brackets and figures "of this Act or under sub-section (3) or sub-section (4) of section 5 of the Integrated Goods and Services Tax Act, 2017" shall be inserted with effect from the 1st day of April, 2025;

**Central Act No.13 of 2017**

(ii) in clause (69), —

(a) in sub-clause (c), in fourth line, in between the words "a municipal" and "or local", the word "fund" shall be inserted;

(b) after sub-clause (c), the following new Explanation shall be inserted, namely: —

"Explanation. —For the purposes of this sub-clause,

(a) "local fund" means any fund under the control or management of an authority of a local self-government established for discharging civic functions in relation to a Panchayat area and vested by law with the powers to levy, collect and appropriate any tax, duty, toll, cess or fee, by whatever name called;

(b) "municipal fund" means any fund under the control or management of an authority of a local self-government established for discharging civic functions in relation to a Metropolitan area or Municipal area and vested by law with the powers to levy, collect and appropriate any tax, duty, toll, cess or fee, by whatever name called;"

(iii) after clause (116), the following new clause shall be inserted, namely: —

"(116a) "unique identification marking" means the unique identification marking referred to in clause (b) of sub-section (2) of section 148A and includes a digital stamp, digital mark or any other similar marking, which is unique, secure and non-removable;".

**Amendment of section 12**

3. In the principal Act, in section 12, sub-section (4) shall be omitted.

**Amendment of section 13**

4. In the principal Act, in section 13, sub-section (4) shall be omitted.

**Amendment of section 17**

5. In the principal Act, in section 17, in sub-section (5), in clause (d), —

(i) in the second line, for the words "plant or machinery", the words "plant and machinery" shall be substituted and shall be deemed to have came into effect from the 1st day of July, 2017;

(ii) the existing Explanation shall be renumbered as "Explanation 1"and thereafter the following new Explanation shall be inserted, namely: —

"Explanation 2. For the purposes of clause (d), it is hereby clarified that notwithstanding anything to the contrary contained in any judgment, decree or order of any court, tribunal, or other authority, any reference to "plant or machinery" shall be construed and shall always be deemed to have been construed as a reference to "plant and machinery";'.

**Amendment of section 20**

**6.** In the principal Act, in section 20, with effect from the 1st day of April, 2025, —

(i) in sub-section (1), in the fifth line, in between the words "section 9" and "for or on behalf", the words, brackets and figures "of this Act or under sub-section (3) or sub-section (4) of section 5 of the Integrated Goods and Services Tax Act, 2017" shall be inserted;

(ii) in sub-section (2), in the sixth line, in between the words "section 9" and "paid by", the words, brackets and figures "of this Act or under sub-section (3) or sub-section (4) of section 5 of the Integrated Goods and Services Tax Act, 2017," shall be inserted.

**Amendment of section 34**

**7.** In the principal Act, in section 34, in sub-section (2), for the proviso, the following shall be substituted, namely:—

"Provided that no reduction in output tax liability of the supplier shall be permitted, if the,—

(i) input tax credit as is attributable to such a credit note, if availed, has not been reversed by the recipient, where such recipient is a registered person; or

(ii) incidence of tax on such supply has been passed on to any other person, in other cases.".

**Amendment of section 38**

**8.** In the principal Act, in section 38, —

(i) in sub-section (1), in the fourth line, for the words "an auto-generated", appearing in between the words "and" and "containing", the words, "a statement" shall be substituted;

(ii) in sub-section (2), —

(a) in first line, for the words "the auto-generated statement under", the words "statement referred in" shall be substituted;

(b) in clause (a), in third line, the word "and" appearing at the end, shall be deleted;

(c) in clause (b), in the third line, in between the words "recipient," and "on account", the word "including" shall be inserted;

(d) after clause (b), the following new clause shall be inserted, namely: —

"(c) such other details as may be prescribed.".

**Amendment of section 39**

**9.** In the principal Act, in section 39, in sub-section (1), in eight line, in between the words "such time" and "as may be", the words "subject to such conditions and restrictions" shall be inserted.

**Amendment of section 107**

**10.** In the principal Act, in section 107, in sub-section (6), for the proviso, the following shall be substituted, namely: —

"Provided that in case of any order demanding penalty without involving demand of any tax, no appeal shall be filed against such order unless a sum equal to ten per cent. of the said penalty has been paid by the appellant.".

**Amendment of section 112**

**11.** In the principal Act, in section 112, in sub-section (8), in clause (b), in third line, for the punctuation mark ".", the punctuation mark ":" shall be substituted and thereafter the following new proviso shall be inserted, namely: —

"Provided that in case of any order demanding penalty without involving demand of any tax, no appeal shall be filed against such order unless a sum equal to ten per cent. of the said penalty, in addition to the amount payable under the proviso to sub-section (6) of section 107 has been paid by the appellant."

**Insertion of new section 122B**

**12.** In the principal Act, after section 122A, the following new section shall be inserted, namely: —

**"Penalty for failure to comply with track and trace mechanism.**

122B. Notwithstanding anything contained in this Act, where any person referred to in clause (b) of sub-section (1) of section 148A acts in contravention of the provisions of the said section, he shall, in addition to any penalty under Chapter XV or the provisions of this Chapter, be liable to pay a penalty equal to an amount of one lakh rupees or ten per cent of the tax payable on such goods, whichever is higher."

**Insertion of new section 148A**

13. In the principal Act, after section 148, the following new section shall be inserted, namely: —

**"Track and trace mechanism for certain goods**

148A. (1) The Government may, on the recommendations of the Council, by notification, specify, —

(a) the goods;

(b) persons or class of persons who are in possession or deal with such goods, to which the provisions of this section shall apply.

(2) The Government may, in respect of the goods referred to in clause (a) of sub-section (1), —

(a) provide a system for enabling affixation of unique identification marking and for electronic storage and access of information contained therein, through such persons, as may be prescribed; and

(b) prescribe the unique identification marking for such goods, including the information to be recorded therein.

(3) The persons referred to in sub-section (1), shall,—

(a) affix on the said goods or packages thereof, a unique identification marking, containing such information and in such manner;

(b) furnish such information and details within such time and maintain such records or documents, in such form and manner;

(c) furnish details of the machinery installed in the place of business of manufacture of such goods, including the identification, capacity, duration of operation and such other details or information, within such time and in such form and manner;

(d) pay such amount in relation to the system referred to in sub-section (2), as may be prescribed.".

**Amendment of Schedule III**

**14.** In the principal Act, in Schedule III, —

(i) in paragraph 8, after clause (a), the following new clause shall be inserted and shall be deemed to have been inserted with effect from the 1st day of July, 2017, namely: —

"(aa) Supply of goods warehoused in a Special Economic Zone or in a Free Trade Warehousing Zone to any person before clearance for exports or to the Domestic Tariff Area;";

(ii) in Explanation 2, after the words "For the purposes of", the words, brackets and letter "clause (a) of" shall be inserted and shall be deemed to have been inserted with effect from the 1st day of July, 2017;

(iii) after Explanation 2, the following new Explanations shall be inserted and shall be deemed to have been inserted with effect from the 1st day of July, 2017, namely: —

"Explanation 3.—For the purposes of clause (aa) of paragraph 8, the expressions "Special Economic Zone", "Free Trade Warehousing Zone" and "Domestic Tariff Area" shall have the same meanings respectively as assigned to them in section 2 of the Special Economic Zones Act, 2005.

Explanation 4.—No refund shall be made of all such tax which has been collected, but which would not have been so collected, had clause (aa) of paragraph 8, changes in Explanation 2 and Explanation 3 above been in force at all material times."

**SHRI LAKSHMAN PRASAD ACHARYA,**
GOVERNOR OF ASSAM.

**MEHBOOBA BEGUM,**
Joint Secretary (Secretary in-charge) to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

**২০২৫ চনৰ অসম অধ্যাদেশ নং ৫**

**(২০২৫ চনৰ ৩ অক্টোবৰ তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)**

# অসম সামগ্ৰী আৰু সেৱা কৰ (দ্বিতীয় সংশোধন) অধ্যাদেশ, ২০২৫

**অধ্যাদেশ**

**৪ অক্টোবৰ, ২০২৫**

অসম সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ ক, অসম ৰাজ্যত ইয়াৰ প্ৰযোজ্যতাৰ, পৰৱৰ্তী সংশোধন কৰিবলৈ **এখন অধ্যাদেশ** ।

প্ৰস্তাৱনা

যিহেতু অসম ৰাজ্যৰ বিধানসভাৰ অধিৱেশন চলি থকা নাই আৰু অসমৰ ৰাজ্যপাল সন্তুষ্ট হৈছে যে এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে যিটোৰে, অসম সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ ক, ইয়াৰ পিছত মূল অধিনিয়ম হিচাবে যাক উল্লেখ কৰা হৈছে , সংশোধন কৰিবলৈ তাৎক্ষণিক কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰাতো তেখেতৰ বাবে জৰুৰী হৈ পৰিছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে ; **২০১৭ চনৰ অসম অধিনিয়ম নং XXVIII**

এতিয়া, সেয়েহে, ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২১৩ ৰ খণ্ড (১) ৰ অধীনত অৰ্পণ কৰা ক্ষমতাৱলী প্ৰয়োগ কৰি, অসমৰ ৰাজ্যপালে ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত, নিম্নলিখিত অধ্যাদেশখন প্ৰখ্যাপন কৰিছে , যথা :–

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (১) এই অধ্যাদেশখন অসম সামগ্ৰী আৰু সেৱা কৰ (দ্বিতীয় সংশোধন) অধ্যাদেশ, ২০২৫ বুলি অভিহিত হ'ব ।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ অসমতে হ'ব ।

(৩) অন্যথা উপবন্ধিতৰ ব্যতিৰেকে, এই অধ্যাদেশৰ উপবন্ধাৱলী, চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা তেনে তাৰিখত বলবৎ হ'ব :

পৰন্তু এই অধ্যাদেশৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰিব পাৰে আৰু এই অধ্যাদেশৰ প্ৰাৰম্ভণত এনে যিকোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দেশক সেই উপবন্ধ বলবৎ হোৱাৰ প্ৰসঙ্গ নিৰ্দেশ হিচাবে অৰ্থ কৰিব ।

ধাৰা ২ ৰ সংশোধন

২। মূল অধিনিয়মত, ধাৰা ২ ত,

(i) খণ্ড (৬১)ত, পঞ্চম শাৰীত, শব্দাৱলী "ধাৰা ৯", "প্ৰতি" আৰু "বা হকে" ৰ মাজত, "এই অধিনিয়মখনৰ বা সংহত সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ৰ ধাৰা ৫ৰ উপ-ধাৰা (৩) বা উপ-ধাৰা (৪)ৰ অধীনত" শব্দাৱলী, বন্ধনী আৰু সংখ্যাসমূহ ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা প্ৰভাৱী হোৱাকৈ অন্তঃস্থাপিত হ'ব ;

(ii) খণ্ড (৬৯)ত, —

(ক) উপ-খণ্ড (গ)ত চতুৰ্থ শাৰীত, শব্দাৱলী "এখন পৌৰসভা" আৰু "বা স্থানীয়" ৰ মাজত, শব্দ "পুঁজি" অন্তঃস্থাপিত হ'ব;

(খ) উপ-খণ্ড (গ)ৰ পিছত, নিম্নলিখিত নতুন স্পষ্টীকৰণ স্থাপিত হ'ব, যথা: —

"স্পষ্টীকৰণ – এই উপ-খণ্ডৰ উদ্দেশ্যে—

(ক) "স্থানীয় পুঁজি" মানে কোনো পঞ্চায়ত অঞ্চল সম্পৰ্কীয় ৰাজহুৱা কৃত্যসমূহ সম্পাদনৰ বাবে স্থাপিত আৰু যিকোনো কৰ, শুল্ক, টোল, উপকৰ বা মাচুল উদ্‌গ্ৰহণ, সংগ্ৰহ আৰু অভিগ্ৰহণৰ ক্ষমতা বিধিৰ দ্বাৰা ন্যস্ত কৰা স্থানীয় স্বশাসিত কোনো প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণ বা পৰিচালনাৰ অধীনত থকা যিকোনো পুঁজি, যি নামেৰেই অভিহিত নহওক ;

(খ) "পৌৰ পুঁজি" মানে কোনো মহানগৰ অঞ্চল বা পৌৰ অঞ্চল সম্পৰ্কীয় ৰাজহুৱা কৃত্যসমূহ সম্পাদনৰ বাবে স্থাপিত আৰু যিকোনো কৰ, শুল্ক, টোল, উপকৰ বা মাচুল উদ্‌গ্ৰহণ, সংগ্ৰহ আৰু অভিগ্ৰহণৰ ক্ষমতা বিধিৰ দ্বাৰা ন্যস্ত কৰা স্থানীয় স্বশাসিত কোনো প্ৰাধিকাৰীৰ নিয়ন্ত্ৰণ বা পৰিচালনাৰ অধীনত থকা যিকোনো পুঁজি, যি নামেৰেই অভিহিত নহওক ;"

(iii) খণ্ড (১১৬)ৰ পিছত, নিম্নলিখিত নতুন খণ্ড স্থাপিত হ'ব, যথা:–

"(১১৬ক) "অনন্য চিনাক্তকৰণ চিহ্ন" মানে ধাৰা ১৪৮ক ৰ উপ-ধাৰা (২)ৰ খণ্ড (খ)ত উল্লেখিত অনন্য চিনাক্তকৰণ চিহ্ন আৰু কোনো ডিজিটেল মোহৰ, ডিজিটেল চিহ্ন অথবা অন্য কোনো অনুৰূপ চিহ্ন অন্তৰ্ভুক্ত কৰে, যিবোৰ অনন্য, সু-সংৰক্ষিত আৰু অমোচনীয় হয় ; " ।

ধাৰা ১২ ৰ সংশোধন

৩। মূল অধিনিয়মত, ধাৰা ১২ ত, উপ-ধাৰা (৪) লোপ কৰা হ'ব।

ধাৰা ১৩ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ১৩ ত, উপ-ধাৰা (৪) লোপ কৰা হ'ব ।

ধাৰা ১৭ ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ১৭ত, উপ-ধাৰা (৫)ত, খণ্ড (ঘ)ত, —

(i) দ্বিতীয় শাৰীত, শব্দাৱলী "পৰিকল্পনাকৰণ বা যন্ত্ৰপাতি" ৰ সলনি, শব্দাৱলী "পৰিকল্পনাকৰণ আৰু যন্ত্ৰপাতি" প্ৰতিষ্ঠাপিত হ'ব আৰু ইয়াক ২০১৭ চনৰ ১ জুলাইৰ পৰা প্ৰভাৱী হোৱা বুলি গণ্য কৰা হ'ব ;

(ii) বিদ্যমান স্পষ্টীকৰণক "স্পষ্টীকৰণ ১" হিচাবে পুনৰ সংখ্যাকৃত কৰা হ'ব আৰু তাৰ পিছত নিম্নলিখিত নতুন স্পষ্টীকৰণ স্থাপিত হ'ব, যথা: —

"স্পষ্টীকৰণ ২ — খণ্ড (ঘ)ৰ উদ্দেশ্যে, ইয়াৰ দ্বাৰা স্পষ্ট কৰা হয় যে যিকোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা অন্য প্ৰাধিকাৰীৰ কোনো ন্যায়নিৰ্ণয়, ৰায় বা আদেশত কোনো প্ৰতিকূল কথা থকা স্বত্বেও, "পৰিকল্পনাকৰণ আৰু যন্ত্ৰপাতি"ৰ কোনো প্ৰসংগ নিৰ্দেশক "পৰিকল্পনাকৰণ আৰু যন্ত্ৰপাতি"ৰ প্ৰসংগ নিৰ্দেশ হিচাবে অৰ্থ কৰা হ'ব আৰু সদায় অৰ্থ কৰা বুলি গণ্য কৰা হ'ব" ; " ।

ধাৰা ২০ৰ সংশোধন

৬। মূল অধিনিয়মত, ধাৰা ২০ ত, ২০২৫ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ,–

(i) উপ-ধাৰা (১)ত, পঞ্চম শাৰীত, শব্দাৱলী "ধাৰা ৯" আৰু "বাবে বা হকে" ৰ মাজত, শব্দাৱলী, বন্ধনী আৰু সংখ্যাসমূহ "এই অধিনিয়মৰ বা সংহত সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ৰ ধাৰা ৫ৰ উপ-ধাৰা (৩) বা উপ-ধাৰা (৪) ৰ অধীনত" অন্তঃস্থাপিত হ'ব;

(ii) উপ-ধাৰা (২)ত, ষষ্ঠ শাৰীত, শব্দাৱলী "ধাৰা ৯" আৰু "দ্বাৰা শোধ" ৰ মাজত, শব্দাৱলী, বন্ধনী আৰু সংখ্যাসমূহ "এই অধিনিয়মৰ বা সংহত সামগ্ৰী আৰু সেৱা কৰ অধিনিয়ম, ২০১৭ৰ ধাৰা ৫ৰ উপ-ধাৰা (৩) বা উপ-ধাৰা (৪)ৰ অধীনত" অন্তঃস্থাপিত হ'ব ।

ধাৰা ৩৪ৰ সংশোধন

৭। মূল অধিনিয়মত, ধাৰা ৩৪ত, উপ-ধাৰা (২)ত, অনুবিধিৰ সলনি নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা: —

"পৰন্তু যোগানকাৰীৰ উৎপাদিত কৰৰ দায়বদ্ধতা হ্ৰাসৰ কোনো অনুমতি দিয়া নহ'ব, যদিহে,–

(i) এনে কোনো জমাধন পত্ৰৰ বাবে আৰোপ কৰা নিবেশ কৰ জমাধন, যদি উপলব্ধ হয়, তেতিয়া প্ৰাপকৰ দ্বাৰা ঘূৰাই লোৱা নহ'ব , য'ত এনে প্ৰাপক এজন পঞ্জীকৃত ব্যক্তি হয় ; অথবা

(ii) অন্য স্থিতিসমূহত, এনে যোগানৰ ওপৰত কৰ দিয়াৰ দায়িত্ব আন কোনো ব্যক্তিলৈ প্ৰেৰণ কৰা হৈছে ।"।

ধাৰা ৩৮ৰ সংশোধন

৮। মূল অধিনিয়মত, ধাৰা ৩৮ ত, —

(i) উপ-ধাৰা (১)ত, চতুৰ্থ শাৰীত, শব্দাৱলী "আৰু" আৰু বিবৃতি "অন্তৰ্গত" ৰ মাজত প্ৰতীত শব্দাৱলী "এক স্বয়ংচালিত" বাদ দিয়া হ'ব;

(ii) উপ-ধাৰা (২)ত, —

(ক) প্ৰথম শাৰীত, শব্দাৱলী " অধীনত স্বয়ংচালিত বিবৃতি" ৰ সলনি, শব্দাৱলী "ত উল্লেখিত বিবৃতি" প্ৰতিষ্ঠাপিত হ'ব;

(খ) খণ্ড (ক)ত, তৃতীয় শাৰীত, শেষত প্ৰতীত হোৱা শব্দ "আৰু" বাদ দিয়া হ'ব;

(গ) খণ্ড (খ)ত, তৃতীয় শাৰীত, শব্দাৱলী "প্ৰাপক," আৰু "কাৰণে" ৰ মাজত, শব্দাৱলী "অন্তৰ্ভুক্ত কৰি" অন্তঃস্থাপিত হ'ব;

(ঘ) খণ্ড (খ)ৰ পিছত, নিম্নলিখিত নতুন খণ্ড স্থাপিত হ'ব, যথা:—

"(গ) বিহিত কৰা তেনে অন্যান্য সবিশেষ ।"।

ধাৰা ৩৯ৰ সংশোধন

৯। মূল অধিনিয়মত, ধাৰা ৩৯ত, উপ-ধাৰা (১)ত, অষ্টম শাৰীত, শব্দাৱলী "তেনে সময়" আৰু "যথা" ৰ মাজত শব্দাৱলী "এনে চৰ্তাৱলী আৰু নিৰ্বন্ধন সাপেক্ষে" অন্তঃস্থাপিত হ'ব ।

ধাৰা ১০৭ৰ সংশোধন

১০। মূল অধিনিয়মত, ধাৰা ১০৭ত, উপ-ধাৰা (৬)ত, অনুবিধিৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা : —

"পৰন্তু কোনো কৰ দাবী জড়িত নোহোৱাকৈ জৰিমনা দাবী কৰা কোনো আদেশৰ ক্ষেত্ৰত, উক্ত জৰিমনাৰ দহ শতাংশৰ সম ৰাশি আপীলকাৰীয়ে আদায় নকৰালৈকে এনে আদেশৰ বিৰুদ্ধে কোনো আপীল দাখিল কৰা নহ'ব ।"।

ধাৰা ১১২ ৰ সংশোধন

১১। মূল অধিনিয়মত, ধাৰা ১১২ত, উপ-ধাৰা (৮)ত, খণ্ড (খ)ত, তৃতীয় শাৰীত, বিৰাম চিহ্ন "।" ৰ সলনি, বিৰাম চিহ্ন " : " প্ৰতিষ্ঠাপিত হ'ব আৰু তাৰ পিছত নিম্নলিখিত নতুন অনুবিধি স্থাপিত হ'ব, যথা : —

"পৰন্তু কোনো ধৰণৰ কৰ দাবী জড়িত নোহোৱাকৈ জৰিমনা দাবী কৰা কোনো আদেশৰ ক্ষেত্ৰত, এনে আদেশৰ বিৰুদ্ধে কোনো আপীল দাখিল কৰা নহ'ব যদিহে উক্ত জৰিমনাৰ দহ শতাংশৰ সম ৰাশি, ধাৰা ১০৭ৰ উপ-ধাৰা (৬)ৰ অনুবিধিৰ অধীনত দিবলগীয়া ধনৰ অতিৰিক্ত আপীলকাৰীয়ে আদায় কৰা নাই।"

নতুন ধাৰা ১২২খ স্থাপন

১২। মূল অধিনিয়মত, ধাৰা ১২২ক ৰ পিছত, নিম্নলিখিত নতুন ধাৰা স্থাপিত হ'ব, যথা —

"অনুসৰণ আৰু সন্ধান প্ৰক্ৰিয়া পালনৰ ব্যৰ্থতাত হোৱা জৰিমনা

১২২খ। এই অধিনিয়মত যিকোনো কথা থকা সত্ত্বেও, যদি ধাৰা ১৪৮ক ৰ উপ-ধাৰা (১)ৰ খণ্ড (খ) ত উল্লেখ কৰা কোনো ব্যক্তিয়ে উক্ত ধাৰাৰ উপবন্ধাৱলী উলংঘন কৰি কাম কৰে, তেন্তে তেওঁ অধ্যায় XV বা এই অধ্যায়ৰ উপবন্ধাৱলীৰ অধীনত থকা যিকোনো জৰিমনাৰ উপৰিও এক লাখ টকা বা এনে সামগ্ৰীৰ ওপৰত প্ৰদান কৰিবলগীয়া কৰৰ দহ শতাংশৰ সম পৰিমানৰ জৰিমনা, যিটোৱেই বেছি হয় শোধ কৰিবলৈ দায়বদ্ধ হ'ব ।"

নতুন ধাৰা ১৪৮ক স্থাপন

১৩। মূল অধিনিয়মত, ধাৰা ১৪৮ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা স্থাপিত হ'ব, যথা : —

"কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত অনুসৰণ আৰু সন্ধান প্ৰক্ৰিয়া

১৪৮ক। (১) চৰকাৰে, পৰিষদৰ পৰামৰ্শ অনুসৰি অধিসূচনাৰ জৰিয়তে, বিনিৰ্দিষ্ট কৰিব,—

(ক) সামগ্ৰীবোৰ ;

(খ) এনে সামগ্ৰীৰ অধিকাৰী বা ব্যৱসায় কৰা ব্যক্তি বা ব্যক্তিসমূহৰ শ্ৰেণী, যাৰ বাবে এই ধাৰাৰ উপবন্ধাৱলী প্ৰযোজ্য হ'ব ।

(২) চৰকাৰে, উপ-ধাৰা (১)ৰ খণ্ড (ক) ত উল্লেখিত সামগ্ৰীৰ ক্ষেত্ৰত –

(ক) যথাবিহিত ধৰণেৰে, এনে ব্যক্তিসকলৰ জৰিয়তে, তাত অন্তৰ্বিষ্ট তথ্যৰ অনন্য চিনাক্তকৰণ চিহ্ন সংযোজন আৰু ইলেক্ট্ৰনিক সংৰক্ষণ আৰু প্ৰৱেশ সক্ষম কৰাৰ বাবে, এক ব্যৱস্থা উপবন্ধিত কৰা ; আৰু

(খ) তাত অভিলেখিত কৰিবলগীয়া তথ্যসমূহক অন্তৰ্ভুক্ত কৰি, এনে সামগ্ৰীৰ বাবে অনন্য চিনাক্তকৰণ চিহ্ন বিহিত কৰা ।

(৩) উপ-ধাৰা (১)ত উল্লেখ কৰা ব্যক্তিসকলে,–

(ক) উক্ত সামগ্ৰীসমূহ বা ইয়াৰ টোপোলাসমূহত, এনে তথ্য অন্তৰ্বিষ্ট কৰি আৰু এনে ৰীতিৰে এক অনন্য চিনাক্তকৰণ চিহ্ন সংযোজিত কৰা ;

(খ) এনে সময়ৰ ভিতৰত এনে তথ্য আৰু সবিশেষ যোগান ধৰা আৰু এনে ৰূপে আৰু ৰীতিৰে এনে অভিলেখ বা দস্তাৱেজসমূহক ৰক্ষণাবেক্ষন কৰা ;

(গ) চিনাক্তকৰণ,ক্ষমতা, পৰিচালনাৰ সময়সীমা আৰু এনে অন্যান্য বিৱৰণ বা তথ্যকে ধৰি, এনে সময়ৰ ভিতৰত আৰু এনে ৰূপ আৰু ৰীতিৰে, এনে সামগ্ৰী নিৰ্মাণৰ ব্যৱসায়ৰ স্থানত স্থাপন কৰা যন্ত্ৰপাতিৰ সবিশেষ যোগান ধৰা ;

(ঘ) উপ-ধাৰা (২)ত উল্লেখিত ব্যৱস্থাৰ সম্পৰ্কত, যথাবিহিত এনে ৰাশি পৰিশোধ কৰা।”।

অনুসূচী III ৰ সংশোধন

১৪। মূল অধিনিয়মত, অনুসূচী III ত, —

(i) দফা ৮ ত, খণ্ড (ক)ৰ পিছত, নিম্নলিখিত নতুন খণ্ড স্থাপিত হ'ব আৰু ২০১৭ চনৰ ১ জুলাইৰ পৰা প্ৰভাৱী হোৱাকৈ স্থাপিত হোৱা বুলি গণ্য কৰা হ'ব, যথা: —

“(কক) ৰপ্তানিৰ বাবে অথবা ঘৰুৱা শুল্ক অঞ্চললৈ অনুমতি দিয়াৰ পূৰ্বে, যিকোনো ব্যক্তিক কোনো বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ বা মুক্ত বাণিজ্যিক পণ্যাগাৰ ক্ষেত্ৰলৈ, জমাকৃত সামগ্ৰীৰ যোগান ধৰা ; ” ;

(ii) স্পষ্টীকৰণ ২ ত, শব্দাৱলী “উদ্দেশ্যৰ বাবে” ৰ পিছত, শব্দাৱলী, বন্ধনী আৰু আখৰ “–ৰ খণ্ড (ক)” অন্তঃস্থাপিত হ'ব আৰু ২০১৭ চনৰ ১ জুলাইৰ পৰা প্ৰভাৱী হোৱাকৈ অন্তঃস্থাপিত হোৱা বুলি গণ্য কৰা হ'ব ;

(iii) স্পষ্টীকৰণ ২ ৰ পিছত, নিম্নলিখিত নতুন স্পষ্টীকৰণসমূহ স্থাপিত হ'ব আৰু ২০১৭ চনৰ ১ জুলাইৰ পৰা প্ৰভাৱী হোৱাকৈ স্থাপিত হোৱা বুলি গণ্য কৰা হ'ব, যথা: —

“স্পষ্টীকৰণ ৩– দফা ৮ ৰ খণ্ড (কক) ৰ উদ্দেশ্যে “বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ”, “মুক্ত বাণিজ্য পণ্যাগাৰ ক্ষেত্ৰ” আৰু “ঘৰুৱা শুল্ক অঞ্চল” অভিব্যক্তিসমূহৰ অৰ্থ বিশেষ অৰ্থনৈতিক ক্ষেত্ৰ অধিনিয়ম, ২০০৫ ৰ ধাৰা ২ ত সেইসমূহক আৰোপিতৰ দৰেই যথাক্ৰমে একে অৰ্থ হ'ব।

স্পষ্টীকৰণ ৪– ওপৰৰ দফা ৮ ৰ খণ্ড (কক) ৰ স্পষ্টীকৰণ ২ আৰু স্পষ্টীকৰণ ৩ ৰ পৰিৱৰ্তন সকলো বস্তুগত সময়ত বলবৎ হ'লে সংগ্ৰহ কৰা, কিন্তু যি কৰ তেনেদৰে সংগ্ৰহ কৰা নহ'লহেঁতেন, সেই সকলো কৰ ঘূৰাই দিয়া নহ'ব।”

**লক্ষ্মণ প্ৰসাদ আচাৰ্য,**
ৰাজ্যপাল, অসম চৰকাৰ।

**মেহবুবা বেগম**
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1349 - 50 + 10 - 04 - 10 - 2025. (visit at– dpns.assam.gov.in)